3 (Sem–6/CBCS) ASM HE 4

**2025**

# ASSAMESE

## ( Honours Elective )

Paper : ASM–HE–6046

( অসমীয়া ভাষাৰ উপভাষা )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ দিয়া : ১×১০=১০

(ক) *A Study on Kamrupi : A Dialect of Assamese* গ্ৰন্থখনৰ লেখক কোন?

(খ) সৌৰভ কুমাৰ চলিহাৰ প্ৰকৃত নাম কি?

(গ) এটা সংযোগী ভাষাৰ নাম লিখা।

(ঘ) কামৰূপী উপভাষাত শ্বাসাঘাত শব্দৰ কোনটো অক্ষৰত পৰে?

(ঙ) 'হাঁহিচম্পা' গল্পটো কোন উপভাষাত ৰচিত?

(চ) গোৱালপৰীয়া উপভাষাত বিশিষ্ট স্বৰধ্বনিৰ সংখ্যা কেইটা ?

(ছ) অসমীয়া ভাষাৰ উপভাষাক পোনপ্ৰথমে কোনে শ্ৰেণীবিভাগ কৰিছিল ?

(জ) উজনি অসমত প্ৰচলিত এটি নৃগোষ্ঠীয় উপভাষাৰ নাম লিখা।

(ঝ) ড. বাণীকান্ত কাকতিৰ গৱেষণা গ্ৰন্থখনৰ নাম লিখা।

(ঞ) মান্য অসমীয়া আৰু কামৰূপী উপভাষাৰ মাজৰ এটি ধ্বনিতাত্ত্বিক বৈসাদৃশ্য লিখা।

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) নামনি অসমৰ ভাষাক প্ৰধানকৈ কি কি উপভাষাত ভগাব পাৰি ?

(খ) অসমীয়া ভাষাৰ দুটা সামাজিক উপভাষাৰ নাম লিখা।

(গ) বহুভাষিত্ব (multilingualism) মানে কি ?

(ঘ) উজনি অসমৰ উপভাষাৰ দুটা ধ্বনিতাত্ত্বিক বৈশিষ্ট্য লিখা।

(ঙ) প্ৰথম অসমীয়া সামাজিক নাটকখনৰ নাম আৰু প্ৰকাশৰ চন উল্লেখ কৰা।

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) কোনবোৰ কাৰকে সামাজিক ভাষিক ভিন্নতাৰ সৃষ্টি কৰে, আলোচনা কৰা।

(খ) গোৱালপৰীয়া উপভাষাৰ শব্দসম্ভাৰ সম্পৰ্কে আলোচনা কৰা।

(গ) অসমীয়া ভাষাৰ নৃগোষ্ঠীয় উপভাষা সম্পৰ্কে আলোচনা কৰা।

(ঘ) কামৰূপী উপভাষাৰ স্থানীয় ৰূপসমূহৰ বিষয়ে আলোচনা কৰা।

(ঙ) 'ৰাম-নৱমী' নাটকত উপভাষাৰ প্ৰয়োগ সম্পৰ্কে আলোচনা কৰা।

(চ) উপভাষা অধ্যয়নত তথ্যদাতাৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) উপভাষাৰ সংজ্ঞা দাঙি ধৰি উপভাষা অধ্যয়নৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰা।

(খ) তোমাৰ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত 'হাঁহিচম্পা' অথবা 'সহযাত্ৰী' গল্পটোত উপভাষাৰ প্ৰয়োগ কিদৰে ঘটিছে, আলোচনা কৰা।

(গ) অসমীয়া ভাষাৰ ভৌগোলিক ভিন্নতা সম্পৰ্কে বিভিন্ন পণ্ডিতৰ মতামত বিচাৰ কৰি এটি আলচ প্ৰস্তুত কৰা।

(ঘ) কামৰূপী উপভাষা আৰু গোৱালপৰীয়া উপভাষাৰ মাজত এটি তুলনামূলক আলোচনা যুগুত কৰা।

(ঙ) উজনি আৰু নামনিৰ ভাষাৰূপৰ পাৰ্থক্যসমূহ বিচাৰ কৰি এটি প্ৰবন্ধ যুগুত কৰা।

(চ) উপভাষা সৃষ্টিৰ কাৰণসমূহ আলোচনা কৰা।

(ছ) আঞ্চলিক উপভাষা বুলিলে কি বুজা? অসমীয়া ভাষাৰ আঞ্চলিক উপভাষা সম্পৰ্কে চমুকৈ লিখা।

(জ) সামাজিক উপভাষাৰ স্বৰূপ সম্পৰ্কে বিতংকৈ আলোচনা কৰা।

★★★